DAILY ASSAM



চতুৰ্থ অধ্যায়

# কাৰ্য্যপালিকা
# (EXECUTIVE)

**পৰিচয়**

*বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকা হ'ল চৰকাৰৰ তিনিটা অংগ। চৰকাৰী কামকাজ পৰিচালনা কৰা আইন শৃংখলা বজায় ৰখা আৰু জনসাধাৰণৰ কল্যাণ, সাধন কৰা, এই তিনিটা অংগই একেলগে সম্পন্ন কৰে। এই তিনিটা অংগই প্ৰত্যেকে প্ৰত্যেকৰে সৈতে যাতে সমন্বয়েৰে কাম কৰে আৰু তেওঁলোকৰ মাজত ভাৰসাম্য বজায় ৰাখে সেইটো সংবিধানে নিশ্চিত কৰে। সংসদীয় শাসন ব্যৱস্থাত, কাৰ্য্যপালিকা আৰু বিধানমণ্ডল পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীলঃ বিধানমণ্ডলে কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰে, আৰু বিপৰীতে কাৰ্য্যপালিকাৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। এই অধ্যায়ত আমি চৰকাৰৰ কাৰ্য্যবাহী অংগৰ গঠন আৰু কাৰ্য্যৱলীৰ বিষয়ে আলোচনা কৰিম। ৰাজনৈতিক ঘটনাৱলীৰ বাবে শেহতীয়াভাৱে সংঘটিত পৰিৱৰ্ত্তনবোৰৰ বিষয়েও তোমালোকক এই অধ্যায়ে অৱগত কৰিব।*

*এই অধ্যায় অধ্যয়নৰ পিছত তোমালোকে—*

- *সংসদীয় আৰু ৰাষ্ট্ৰপতীয় কাৰ্য্যপালিকাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিবলৈ*
- *ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ সাংবিধানিক স্থান*
- *মন্ত্ৰী পৰিষদৰ গঠন আৰু কাৰ্য্যপ্ৰণালী আৰু প্ৰধানমন্ত্ৰীৰ গুৰুত্ব জানিবলৈ আৰু*
- *প্ৰশাসনীয় যন্ত্ৰৰ গুৰুত্ব আৰু কাৰ্য্যপ্ৰণালী বুজিবলৈ সক্ষম হবা।*

DAILY ASSAM



## কাৰ্য্যপালিকা কাক বোলে? (What is an Executive)

তোমালোকৰ বিদ্যালয়ৰ প্ৰশাসনৰ দায়িত্বত কোন আছে? এখন বিদ্যালয় অথবা বিশ্ববিদ্যালয়ত গুৰুত্বপূৰ্ণ সিদ্ধান্ত কোনে লয়? যিকোনো সংগঠনত, কেইজনমান পদবীধাৰী লোকে সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেইবোৰ সিদ্ধান্ত কাৰ্য্যকৰী কৰিব লাগে। এই কাৰ্য্যক আমি প্ৰশাসন অথবা পৰিচালনা বুলি কওঁ। কিন্তু প্ৰশাসনৰ শীৰ্ষত এটি সংস্থাৰ প্ৰয়োজন যিয়ে কৰ্ম পৰিকল্পনা প্ৰস্তুত অথবা বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিব আৰু নিয়মিত প্ৰশাসনীয় কাৰ্য্যবোৰক পৰিদৰ্শন আৰু সসম্বয় সাধন কৰিব। তোমালোকে সম্ভৱ বৃহৎ কোম্পানী, বেঙ্ক বা উদ্যোগিত গোটৰ কাৰ্য্যপালিকাৰ বিষয়ে শুনিছা। প্ৰত্যেক আনুষ্ঠানিক গোটৰ এটি সংস্থা থাকে যি সেই সংগঠনৰ মূখ্য প্ৰশাসক বা কাৰ্য্যপালিকা হিচাপে কাৰ্য্য পালন কৰে।

কিছুমান পদাধিকাৰীয়ে নীতি আৰু আইন সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে আৰু কিছুমান পদাধিকাৰীয়ে সেই সংগঠনৰ বাস্তৱিক দৈনন্দিন কাৰ্য্যৱলীত সেইবোৰ সিদ্ধান্তক ৰূপায়িত কৰে। কাৰ্য্যপালিকা শব্দৰ অৰ্থ হ'ল-এটি ব্যক্তি সমষ্টি যিয়ে নীতি নিয়মবোৰৰ বাস্তৱ ৰূপায়নক চোৱাচিতা কৰে।

চৰকাৰৰ ক্ষেত্ৰতো, এটি সংস্থায়ে কৰ্মপৰিকল্পনা আৰু আইন আৰু নীতি নিৰ্ধাৰণৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে, আনহাতে অন্য এটি সংস্থায়ে সেইবোৰ আইন বাস্তৱত কাৰ্য্যকৰী কৰাৰ দায়িত্বত থাকে। চৰকাৰৰ যি অংগই প্ৰাৰম্ভিকভাৱে কাৰ্য্যকৰীকৰণ আৰু প্ৰশাসনীয় কাৰ্য্যক চোৱা-চিতা কৰে তাকে কাৰ্য্যপালিকা বোলে।

কাৰ্য্যপালিকাৰ প্ৰধান কাৰ্য্যৱলী কি কি? বিধানমণ্ডলে গ্ৰহণ কৰা আইন আৰু নীতিবোৰক বাস্তৱত ৰূপায়িত কৰা চৰকাৰৰ দায়িত্বপূৰ্ণ শাখা হ'ল কাৰ্য্যপালিকা। কাৰ্য্যপালিকা প্ৰায়েই কৰ্ম আঁচনি তৈয়াৰ কৰাৰ লগত জড়িত থাকে। কাৰ্য্যপালিকাৰ চৰকাৰী পদবী দেশভেদে বেলেগ বেলেগ হয়। কিছুমান দেশত ৰাষ্ট্ৰপতি আছে, আনহাতে আন দেশত চেন্সেলৰ (Chancellor) আছে। কাৰ্য্যপালিকা বুলিলে কেৱল ৰাষ্ট্ৰপতি



*এখন গণতন্ত্ৰত কাৰ্য্যপালিকা জনসাধাৰণৰ ওচৰত দায়বদ্ধ বুলি কোনোবাই কোৱা মোৰ মনত আছে। সেইটো বৃহৎ কোম্পানীৰ কাৰ্য্যপালিকাৰ ক্ষেত্ৰতো সত্য নেকি? তেওঁলোকক মুখ্য কাৰ্য্যবাহী বিষয়া (CEO) হিচাপে জনা নাযায়নে? তেওঁলোক কাৰ ওচৰত দায়বদ্ধ?*

DAILY ASSAM



প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীসকলেই নহয়। প্ৰশাসনীয় যন্ত্ৰকো (অসামৰিক সেৱা) সামৰি লয়। চৰকাৰী নীতিৰ সামগ্ৰিক দায়িত্বত থকা চৰকাৰৰ মূৰব্বী আৰু তেওঁলোকৰ মন্ত্ৰীসকলক একেলগে ৰাজনৈতিক কাৰ্য্যপালিকা হিচাপে জনা যায় আৰু যি সকল দৈনন্দিন প্ৰশাসনৰ বাবে দায়িত্বশীল তেওঁলোকক স্থায়ী কাৰ্য্যপালিকা বুলি কোৱা হয়।

## বিভিন্ন প্ৰকাৰৰ কাৰ্য্যপালিকা কি কি? (What are the different types of Executive?)

প্ৰত্যেক দেশতে একে ধৰণৰ কাৰ্য্যপালিকা নাথাকিবও পাৰে। তোমালোকে আমেৰিকা যুক্তৰাষ্ট্ৰৰ (USA) ৰাষ্ট্ৰপতি আৰু ইংলেণ্ডৰ ৰাণীৰ বিষয়ে সম্ভৱ শুনিছা। কিন্তু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্য্যাৱলীৰ লগত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ ক্ষমতাৰ বহু পৰিমাণে পৃথক। তেনেদৰে, ইংলেণ্ডৰ ৰাণীৰ ক্ষমতা, নেপালৰ ৰজাৰ ক্ষমতাৰ পৰা পৃথক। ভাৰতবৰ্ষ আৰু ফ্ৰান্স উভয় দেশতে প্ৰধানমন্ত্ৰী আছে, কিন্তু তেওঁলোকৰ প্ৰত্যেকৰে ভূমিকা বেলেগ। এনেকুৱা কিয় হয়?




*অনুশীলনী*

ছাৰ্ক (SAARC) সন্মিলন অথবা জি-৮ (দশসমূহৰ সমাবেশৰ এখন ফটো সংগ্ৰহ কৰা আৰু সভাত যিসকল উপস্থিত আছিল তেওঁলোকৰ এখন তালিকা প্ৰস্তুত কৰা। কিয় সেইসকল ব্যক্তিহে কেৱল মাত্ৰ সভাত উপস্থিত আছে আৰু কিছুমান নাই তোমালোকে কল্পনা কৰিব পাৰিছানে?

এই প্ৰশ্নৰ উত্তৰৰ বাবে আমি ইয়াৰে কেইখনমান দেশত থকা কাৰ্য্যপালিকাৰ প্ৰকৃতিৰ বিষয়ে চমু বিৱৰণ দাঙি ধৰিম। আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতীয় শাসন ব্যৱস্থা আছে আৰু প্ৰশাসনীয় ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত থাকে। কানাডাত এটি সাংবিধানিক ৰাজতন্ত্ৰৰ সৈতে সংসদীয় গণতন্ত্ৰ আছে য'ত ৰাণী এলিজাবেথ দ্বিতীয় (Queen Elizabeth-II) হ'ল ৰাষ্ট্ৰৰ আনুষ্ঠানিক প্ৰধান আৰু প্ৰধানমন্ত্ৰী হ'ল চৰকাৰৰ প্ৰধান। ফ্ৰান্সত ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী হ'ল অৰ্ধ-ৰাষ্ট্ৰপতীয় (Semi-Presidential) ব্যৱস্থাৰ এটি অংশ। ৰষ্ট্ৰপতিয়ে ,প্ৰধানমন্ত্ৰীৰ লগতে মন্ত্ৰীসকলক নিযুক্তি দিয়ে কিন্তু তেওঁলোক যিহেতু সংসদৰ ওচৰত দায়বদ্ধ সেইবাবে তেওঁলোকক বৰ্খাস্ত কৰিব

DAILY ASSAM





কাৰ্য্যপালিকাৰ প্ৰকাৰ
সমুহীয়া নেতৃত্ব নীতিৰ ভিত্তিত থকা ব্যৱস্থা
ব্যক্তিগত নেতৃত্বৰ ভিত্তিত থকা ব্যৱস্থা
সংসদীয়
চৰকাৰৰ মুৰব্বীক সাধাৰণতে প্ৰধানমন্ত্ৰী হিচাপে জনা যায় তেওঁ বিধানমণ্ডলত সংখ্যাগৰিষ্ঠ দলৰ নেতা তেওঁ বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ ৰাষ্ট্ৰৰ মুৰব্বী হব পাৰে
অৰ্ধ-ৰাষ্ট্ৰপতীয় ব্যৱস্থা
ৰাষ্ট্ৰৰ প্ৰধান হিচাপে ৰাষ্ট্ৰপতি থাকে চৰকাৰৰ প্ৰধান হিচাপে এজন প্ৰধানমন্ত্ৰী থাকে প্ৰধানমন্ত্ৰী আৰু তেওঁৰ মন্ত্ৰীপৰিষদ বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ
ৰাষ্ট্ৰপতিয়
ৰাষ্ট্ৰপতি ৰাষ্ট্ৰৰ প্ৰধান তেওঁ চৰকাৰৰো প্ৰধান ৰাষ্ট্ৰপতি সাধাৰণতে জনসাধাৰণৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত হয় তেওঁ বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ নহয়
সাংবিধানিক ৰাজতন্ত্ৰ
সংসদীয় গণৰাজ্য
আনুষ্ঠানিক কাৰ্য্যপালিকা

DAILY ASSAM





নোৱাৰে। জাপানত ৰাষ্ট্ৰৰ প্ৰধান হিচাপে সম্ৰাট (Emperor) আৰু চৰকাৰৰ প্ৰধান হিচাপে প্ৰধানমন্ত্ৰীৰ সৈতে এটি সংসদীয় ব্যৱস্থা আছে। ইটালীত ৰাষ্ট্ৰৰ আনুষ্ঠানিক মুৰব্বী হিচাপে ৰাষ্ট্ৰপতি আৰু চৰকাৰ মুৰব্বী হিচাপে প্ৰধানমন্ত্ৰীৰ সৈতে এটি সংসদীয় ব্যৱস্থা আছে। ৰাছিয়াত অৰ্ধ-ৰাষ্ট্ৰপতীয় ব্যৱস্থা আছে য'ত ৰাষ্ট্ৰপতি হ'ল ৰাষ্ট্ৰৰ মুৰব্বী আৰু প্ৰধানমন্ত্ৰী, যি ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত হয়, তেওঁ চৰকাৰৰ মুৰব্বী। জাৰ্মানীত সংসদীয় শাসন ব্যৱস্থা আছে যত ৰাষ্ট্ৰৰ আনুষ্ঠানিক মুৰব্বী হ'ল ৰাষ্ট্ৰপতি আৰু চেন্সেলৰ (Chancellor) হ'ল চৰকাৰৰ মুৰব্বী।

ৰাষ্ট্ৰপতীয় শাসন ব্যৱস্থাত, ৰাষ্ট্ৰপতিয়েই হ'ল ৰাষ্ট্ৰ তথা চৰকাৰৰ মুৰব্বী। এই ব্যৱস্থাত তাত্বিক আৰু ব্যৱহাৰিক উভয় ক্ষেত্ৰতে ৰাষ্ট্ৰপতিৰ পদবী (Office of President) যথেষ্ট ক্ষমতাশালী। আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰাজিল আৰু লেটিন আমেৰিকাৰ বেছিভাগ ৰাষ্ট্ৰ এনেকুৱা শাসন ব্যৱস্থা থকা দেশৰ অন্তৰ্ভুক্ত।

### শ্ৰীলংকাৰ অৰ্ধ-ৰাষ্ট্ৰপতীয় কাৰ্য্যপালিকা (Semi-Presidential Executive in Sri Lanka)

শ্ৰীলংকাৰ সংবিধানখন ১৯৭৮ চনত সংশোধন ঘটোৱা হয় আৰু কাৰ্য্যবাহী ৰাষ্ট্ৰপতীয় (Executive Presidency) ব্যৱস্থা প্ৰচলন কৰা হয়। কাৰ্য্যবাহী ৰাষ্ট্ৰপতীয় ব্যৱস্থাৰ অধীনত জনসাধাৰণে ৰাষ্ট্ৰপতিক প্ৰত্যক্ষভাৱে নিৰ্বাচন কৰে। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী একে অথবা বিভিন্ন ৰাজনৈতিক দলৰ ব্যক্তি হ'ব পাৰে।

সংবিধানমতে ৰাষ্ট্ৰপতিৰ ব্যাপক ক্ষমতা আছে। সংসদত সংখ্যাগৰিষ্ঠতা থকা ৰাজনৈতিক দলৰ পৰা ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীক বাছনি কৰে। যদিও মন্ত্ৰীসকল সংসদৰ সদস্য হোৱাতো বাধ্যতামুলক, ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী অথবা মন্ত্ৰীসকলক অপসৰণ কৰাৰ ক্ষমতা আছে। ৰাষ্ট্ৰৰ নিৰ্বাচিত মুৰব্বী আৰু সশস্ত্ৰ বাহিনীৰ সেনাধিনায়ক হোৱাৰ উপৰিও, ৰাষ্ট্ৰপতি হ'ল চৰকাৰৰো মুৰব্বী।

সংসদৰ মুঠ সদস্যসংখ্যাৰ অন্তত ২/৩ অংশ সদস্যৰে গৃহীত এটি প্ৰস্তাৱৰ অবিহনে ছয় বছৰৰ বাবে নিৰ্বাচিত ৰাষ্ট্ৰপতিক পদৰপৰা অপসাৰণ কৰিব পৰা নাযায়। যদি সংসদৰ মুঠ সদস্য সংখ্যাৰ অতিকমেও আধা সংখ্যকৰ দ্বাৰা প্ৰস্তাৱটো গৃহীত হয় আৰু যদি অধ্যক্ষই তেনেকুৱা অভিযোগ অনুসন্ধানৰ যোগ্য বুলি সন্তুষ্ট হয় তেতিয়াহ'লে অধ্যক্ষই বিষয়টো সম্পৰ্কে উচ্চতম ন্যায়ালয়লৈ প্ৰতিবেদন প্ৰেৰণ কৰিব পাৰে।

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ স্থান ভাৰতবৰ্ষৰ পৰা কেনেদৰে পৃথক? ভাৰতবৰ্ষ আৰু শ্ৰীলংকাত ৰাষ্ট্ৰপতিৰ মহাভিযোগৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ ভুমিকা তুলনা কৰা।

DAILY ASSAM



সংসদীয় শাসন ব্যৱস্থাত প্ৰধানমন্ত্ৰী হ'ল চৰকাৰৰ মুৰব্বী। বেছিভাগ সংসদীয় ব্যৱস্থাৰে ৰাষ্ট্ৰপতি অথবা এজন ৰজা/ৰাণী (Monarch) থাকে যি ৰাষ্ট্ৰৰ নামমাত্ৰ মুৰব্বী। এনেকুৱা শাসন ব্যৱস্থাত ৰাষ্ট্ৰপতি বা ৰজা/ৰাণীৰ ভূমিকা মূখ্যতঃ আনুষ্ঠানিক আৰু কেবিনেটৰে সৈতে প্ৰধানমন্ত্ৰীয়ে প্ৰকৃত ক্ষমতা প্ৰয়োগ কৰে। জাৰ্মানী, ইটালী, জাপান, ইংলেণ্ড তথা পৰ্টুগাল তেনেকুৱা শাসন ব্যৱস্থা থকা দেশৰ অন্তৰ্ভূক্ত। এটি অৰ্ধ-ৰাষ্ট্ৰপতীয় ব্যৱস্থাত এজন ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী থাকে, কিন্তু সংসদীয় শাসন ব্যৱস্থাৰ বিপৰীত ধৰণে ৰাষ্ট্ৰপতি তাৎপৰ্যপূৰ্ণ ভাবে দৈনন্দিন ক্ষমতাৰ অধিকাৰী হব পাৰে। এই ব্যৱস্থাত, কেতিয়াবা ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী একে ৰাজনৈতিক দলৰ হোৱাটো সম্ভৱ হ'ব পাৰে আৰু কেতিয়াবা তেওঁলোক দুটা ভিন্ন দলৰ হ'ব পাৰে আৰু সেইদৰে এজন আনজনৰ বিৰোধী হব পাৰে। ফ্ৰান্স, ৰাছিয়া, শ্ৰীলংকা আদি দেশত এনেকুৱা শাসন ব্যৱস্থা আছে।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

নেহা ঃ এইটো সচাই বৰ সৰল। যিখন দেশত ৰাষ্ট্ৰপতি আছে তাত **ৰাষ্ট্ৰপতীয় কাৰ্য্যপালিকা থাকে আৰু যত প্ৰধানমন্ত্ৰী আছে তাত সংসদীয় কাৰ্য্যপালিকা থাকে। এইটো যে সদায় নহয়, নেহাক তুমি কেনেকৈ বাখ্যা কৰিবা ?**

**ভাৰতবৰ্ষৰ সংসদীয় কাৰ্যপালিকা** (Parliamentary Executive in India)

যেতিয়া ভাৰতীয় সংবিধানখন ৰচনা কৰা হৈছিল, ইতিমধ্যে ভাৰতবৰ্ষৰ ১৯১৯ আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি সংসদীয় ব্যৱস্থাৰ অধীনত শাসিত হোৱাৰ কিছু অভিজ্ঞতা আছিল। এই অভিজ্ঞতাই দেখুৱাইছিল যে সংসদীয় ব্যৱস্থাত জনসাধাৰণৰ প্ৰতিনিধিৰ দ্বাৰা কাৰ্য্যপালিকাক সাৰ্থকভাৱে নিয়ন্ত্ৰণ কৰিব পাৰি। সংবিধান প্ৰণয়ণকাৰীসকলে চৰকাৰক জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি অনুভূতিশীল আৰু দায়িত্বশীল তথা জবাবদিহি হোৱাটো নিশ্চিত কৰিব বিচাৰিছিল। সংসদীয় কাৰ্য্যপালিকাৰ অন্য বিকল্প হ'ল ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ।

DAILY ASSAM



কিন্তু ৰাষ্ট্ৰপতীয় কাৰ্যপালিকাই ৰাষ্ট্ৰপতিৰ ওপৰত মূখ্য কাৰ্য্যপালিকা আৰু সকলো প্ৰশাসনীয় ক্ষমতাৰ উৎস হিচাপে অত্যাধিক গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতীয় কাৰ্য্যপালিকাত সদায় ব্যক্তিগত ক্ষমতা লিপ্সাৰ শংকা থাকে। ভাৰতীয় সংবিধান প্ৰণয়নকাৰীসকলে এনেকুৱা এখন চৰকাৰ বিচাৰিছিল যাৰ এটি শক্তিশালী প্ৰশাসনীয় শাখা থাকিব, কিন্তু একে সময়তে ব্যক্তিগত ক্ষমতা লিপ্সাৰ বিৰুদ্ধেও পৰ্য্যাপ্ত নিৰাপত্তা থকাটো উচিত বুলি বিবেচনা কৰিছিল। সংসদীয় পদ্ধতিত কাৰ্যপালিকাক বিধানমণ্ডল অথবা জনসাধাৰণৰ প্ৰতিনিধিৰ দ্বাৰা নিয়ন্ত্ৰণ তথা জবাবদিহি হোৱাটো নিশ্চিত হ'বৰ বাবে বহুতো ব্যৱস্থা আছে। সেইবাবে সংবিধানে কেন্দ্ৰীয় তথা ৰাজ্যিক উভয় পৰ্যায়তে সংসদীয় কাৰ্যপালিকাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল।



*আমাৰ অতি শক্তিশালী প্ৰধানমন্ত্ৰী নাছিলনে? ইয়াৰ অৰ্থ এইটো নেকি যে আনকি সংসদীয় ব্যৱস্থাতো ব্যক্তিগত ক্ষমতা লিপ্সাৰ বিৰুদ্ধে নিশ্চিত সুফল আশা কৰিব পৰা নাযায়। তাৰ মানে জনসাধাৰণ আৰু বিধান মণ্ডল সদায় সজাগ হৈ থাকিব লাগিব।*

এই ব্যৱস্থা অনুসৰি, এজন ৰাষ্ট্ৰপতি থাকে যি ভাৰত ৰাষ্ট্ৰৰ আনুষ্ঠানিক মুৰব্বী আৰু প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীপৰিষদ আছে যি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ চৰকাৰ পৰিচালনা কৰে। ৰাজ্যিক পৰ্য্যায়ৰ কাৰ্যপালিকা ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীপৰিষদৰ দ্বাৰা গঠিত হয়।

ভাৰতীয় সংবিধানে কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যপালিকাৰ ক্ষমতা আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰপতিৰ ওপৰত ন্যস্ত কৰিছে। বাস্তৱক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে এই ক্ষমতা প্ৰধানমন্ত্ৰীৰ নেতৃত্বত গঠিত মন্ত্ৰীপৰিষদৰ জৰিয়তে প্ৰয়োগ কৰে। ৰাষ্ট্ৰপতিক পাঁচ বছৰৰ বাবে নিৰ্বাচিত কৰা হয়। কিন্তু ৰাষ্ট্ৰপতি পদৰ বাবে জনসাধাৰণৰ দ্বাৰা প্ৰত্যক্ষ নিৰ্বাচন অনুষ্ঠিত নহয়। ৰাষ্ট্ৰপতিক পৰোক্ষভাবে নিৰ্বাচিত কৰা হয়। ইয়াৰ অৰ্থ হ'ল যে ৰাষ্ট্ৰপতি সৰ্বসাধাৰণ নাগৰিকৰ সলনি নিৰ্বাচিত বিধায়ক (এম এল এ) আৰু সাংসদৰ (এম পি) দ্বাৰাহে নিৰ্বাচিত হয়। সমানুপাতিক প্ৰতিনিধিত্বৰ একক হস্তান্তৰযোগ্য মতদান নীতি অনুসৰি নিৰ্বাচন অনুষ্ঠিত হয়।

কেন্দ্ৰীয় সংসদৰ দ্বাৰা মহাভিযোগ (Impeachment) পদ্ধতি অনুসৰণ কৰি ৰাষ্ট্ৰপতিক পদৰ পৰা অপসাৰণ কৰিব পৰা যায়। আগৰ অধ্যায়ত

DAILY ASSAM



ব্যাখ্যা কৰা ধৰণে এই পদ্ধতিৰ বাবে বিশেষ সংসাগৰিষ্ঠতাৰ আৰশ্যক। মহাভিযোগৰ একমাত্র কাৰণ হ'ল সংবিধানৰ বিধি উলংঘা কৰা।

## ৰাষ্ট্রপতিৰ ক্ষমতা আৰু পদমৰ্যদা (Powers and position of President)

***অনুচ্ছেদ ৭৮ (১) ঃ ৰাষ্ট্রপতিক সহায় সহযোগ আৰু পৰামৰ্শ দিবলৈ প্রধানমন্ত্রীৰ নেতৃত্বাধীন এখন মন্ত্রীপৰিষদ থাকিব আৰু মন্ত্রীপৰিষদৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্রপতিয়ে কাৰ্য্যনিৰ্বাহ কৰিব।***

***যদিহে ৰাষ্ট্রপতিয়ে মন্ত্রীপৰিষদৰ তেনেকুৱা পৰামৰ্শ পুনৰ বিবেচনা কৰা প্রয়োজন হয়...... আৰু ৰাষ্ট্রপতিয়ে তেনেকুৱা পুনৰ বিবেচনাৰ পিছত আগবঢ়োৱা পৰামৰ্শ অনুসৰি কাৰ্য্যপালন কৰিব।***

ইয়াত "কাৰ্য্যপালন কৰিব" শব্দৰ অৰ্থ কি তোমালোকে জানানে? এই উপদেশ যে ৰাষ্ট্রপতিয়ে মানি চলিবলৈ বাধ্য তাকে সুচায়। ৰাষ্ট্রপতিৰ ক্ষমতাৰ পৰিসৰৰ বিষয়ত কিবা বিতৰ্কৰ সৃষ্টি হ'লে, এটি সংশোধনৰ দ্বাৰা সংবিধানত নিৰ্দ্দিষ্টভাৱে উল্লেখ কৰা আছে যে মন্ত্রীপৰিষদে আগবঢ়োৱা পৰামৰ্শ অনুসৰি কাম কৰিবলৈ তেওঁ বাধ্য হয়। পিছত আন এটি সংশোধনৰ জৰিয়তে এইটো সিদ্ধান্ত লোৱা হয় যে ৰাষ্ট্রপতিয়ে পৰামৰ্শটো পুনৰ বিবেচনা কৰিবলৈ ক'ব পাৰে, কিন্তু মন্ত্রীপৰিষদৰ পুনৰ বিবেচিত পৰামৰ্শটো তেওঁ গ্ৰহণ কৰিব লাগিব।

আমি ইতিমধ্যে দেখিলো যে, ৰাষ্ট্রপতি হ'ল চৰকাৰৰ আনুষ্ঠানিক মূৰব্বী। এই আনুষ্ঠানিক অৰ্থত, ৰাষ্ট্রপতিৰ ভালেমান প্রশাসনীয়, আইন সংক্রান্ত, ন্যায়িক আৰু জৰুৰীকালীন ক্ষমতা আছে। এটি সংসদীয় ব্যৱস্থাত, বাস্তৱ ক্ষেত্ৰত ৰাষ্ট্রপতিয়ে এইবোৰ ক্ষমতা মন্ত্রীপৰিষদৰ পৰামৰ্শ অনুসৰি প্রয়োগ কৰে। প্রধানমন্ত্রী আৰু মন্ত্রীপৰিষদৰ লোকসভাত সংখ্যাগৰিষ্ঠৰ সমৰ্থন থাকে আৰু তেওঁলোক হ'ল প্রকৃত কাৰ্য্যপালিকা। বেছিভাগ ক্ষেত্ৰতে, ৰাষ্ট্রপতিয়ে মন্ত্রীপৰিষদৰ পৰামৰ্শ মানি চলিব লাগে।

DAILY ASSAM





"আমি তেওঁক কোনো প্ৰকৃত ক্ষমতা দিয়া নাছিলো কিন্তু আমি তেওঁক কর্ত্তৃত্বসম্পন্ন আৰু মৰ্য্যাদাসম্পন্ন কৰিলো। সংবিধানে প্ৰকৃত কাৰ্য্যপালিকা অথবা নামমাত্ৰ মূৰব্বী কোনোটো সৃষ্টি কৰিব নিবিচাৰে, কিন্তু এজন মুৰব্বী যি ৰাজত্ব বা শাসন নকৰে; ইয়ে এজন মহান নেতা সৃষ্টি কৰিব বিচাৰে।"

জৱহৰলাল নেহৰু
CAD, Vol. VI, P. 734



*মই এজন মাত্ৰ নামমাত্ৰ মুৰব্বী নেকি অথবা মই প্ৰকৃত প্ৰশ্ন সুধিছোনে? পাঠ্যপুথি লিখক সকলে মোক মোৰ যি মন যায় সুধিব ক্ষমতা দিছিলনে বা মই তেওঁলোকৰ মনত থকা প্ৰশ্ন সুধিছো নেকি?*

## ৰাষ্ট্ৰপতিৰ স্বেচ্ছাধীন ক্ষমতা (Discretionary powers of the President)

ওপৰৰ আলোচনাৰ ভিত্তিত আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰোনে যে কোনো পৰিস্থিতিৰ অধীনতে ৰাষ্ট্ৰপতিৰ স্বেচ্ছাধীন ক্ষমতা নাই? এইটো এটা অশুদ্ধ মান নিৰ্ধাৰণ কৰা হ'ব। সাংবিধানিকভাবে, মন্ত্ৰী পৰিষদৰ সকলোবোৰ গুৰুত্বপূৰ্ণ বিষয় আৰু আলোচনাৰ সম্পৰ্কে ৰাষ্ট্ৰপতি অৱগত হোৱাৰ অধিকাৰ আছে। ৰাষ্ট্ৰপতিয়ে বিচৰা সকলো তথ্য দাখিল কৰিবলৈ প্ৰধানমন্ত্ৰী বাধ্য। দেশে সন্মুখীন হোৱা বিভিন্ন বিষয়ত ৰাষ্ট্ৰপতিয়ে নিজৰ মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীক লিখিতভাবে জনায়।

ইয়াৰ উপৰিও, অন্তত তিনিটা পৰিস্থিতি আছে যত ৰাষ্ট্ৰপতিয়ে তেওঁৰ স্বেচ্ছাধীন ক্ষমতা প্ৰয়োগ কৰিব পাৰে। প্ৰথমতে, আমি ইতিমধ্যে লক্ষ্য কৰিছো যে ৰাষ্ট্ৰপতিয়ে মন্ত্ৰীপৰিষদে দিয়া পৰামৰ্শ পুনৰ বিবেচনাৰ বাবে পঠিয়াব পাৰে আৰু সিদ্ধান্ত পুনৰ বিবেচনাৰ বাবে পৰিষদক কব পাৰে। এইটো কৰোতে, ৰাষ্ট্ৰপতিয়ে তেওঁৰ

DAILY ASSAM





*ৰাষ্ট্ৰপতিৰ বিষয়ে তেওঁ যেনেকুৱা এইটো আলোচনা কৰিবলৈ খুব ভাল, কিন্তু এগৰাকী মহিলা কেতিয়াবা ৰাষ্ট্ৰপতি হৈছেনে?*

নিজৰ স্বেচ্ছাই কাম কৰে। যেতিয়া ৰাষ্ট্ৰপতিয়ে ভাবে যে তেওঁলৈ দিয়া পৰামৰ্শত কিছুমান দোষ বা আইনগত ত্ৰুটি আছে, অথবা সেয়া দেশৰ স্বাৰ্থত নহয়, ৰাষ্ট্ৰপতিয়ে তেতিয়া মন্ত্ৰী পৰিষদক তেওঁলোকৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ কব পাৰে। যদিও পৰিষদে একে পৰামৰ্শ পুনৰবাৰ পঠিয়াব পাৰে আৰু ৰাষ্ট্ৰপতিয়ে সেই পৰামৰ্শ মানিবলৈ বাধ্য, ৰাষ্ট্ৰপতিৰ দ্বাৰা পুনৰ বিবেচনাৰ বাবে কৰা তেনেকুৱা অনুৰোধে স্বাভাৱিকতে যথেষ্ট গুৰুত্ব বহন কৰে। গতিকে এইটো এটা দিশ যত ৰাষ্ট্ৰপতিয়ে তেওঁৰ নিজৰ স্বেচ্ছাই কাম কৰিব পাৰে।

দ্বিতীয়তে, ৰাষ্ট্ৰপতিৰ 'ভেটো' (VETO) ক্ষমতাও আছে যাৰ দ্বাৰা তেওঁ সংসদৰ দ্বাৰা গৃহীত বিধেয়কত (বিত্তীয় বিলৰ বাহিৰে) সন্মতি দিবলৈ অমান্তি হব পাৰে অথবা প্ৰত্যাখ্যান কৰিব পাৰে। সংসদৰ দ্বাৰা গৃহীত প্ৰত্যেকখন বিধেয়ক আইনলৈ ৰূপান্তৰিত হোৱাৰ পূৰ্বে ৰাষ্ট্ৰপতিৰ

আমি দেখিলো যে এখন বিধেয়কত সন্মতি দিবৰ বাবে ৰাষ্ট্ৰপতিৰ বাবে কোনো সময়সীমা নাই। তেনেকুৱা ঘটনা যে ইতিমধ্যে হৈছে তোমালোকে জানানে? ১৯৮৬ চনত, সংসদে এখন বিধেয়ক গ্ৰহন কৰিছিল যাক ভাৰতীয় পোষ্ট অফিচ্ (সংশোধন) Indian Post Office (amendment) বিধেয়ক হিচপে জনা যায়। বাতৰি কাকতৰ স্বাধীনতা হ্ৰাস কৰিব বিচাৰিছিল বাবে এই বিধেয়কখন বহুতৰ দ্বাৰা বহুলভাবে সমালোচিত হৈছিল। তেতিয়াৰ ৰাষ্ট্ৰপতি জ্ঞানী জাইল সিঙে এই বিধেয়ক খনৰ ওপৰত কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাছিল। তেওঁৰ কাৰ্য্যকাল অন্ত পৰাৰ পিছত, পিছৰজন ৰাষ্ট্ৰপতি আৰ, ভেঙ্কটৰমনে শেষবাৰৰ বাবে বিধেয়ক খন সংসদলৈ পুনৰ বিবেচনাৰ বাবে ঘুৰাই পঠাইছিল। সেই সময়তে, বিধেয়কখন সংসদৰ সন্মুখত অনা চৰকাৰখনৰ পৰিবৰ্তন হৈছিল আৰু ১৯৮৯ চনত এখন নতুন চৰকাৰ নিৰ্বাচিত হৈছিল। এই চৰকাৰখন বেলেগ জোঁটবন্ধনৰ আছিল আৰু বিধেয়কখন সংসদৰ মজিয়াত পুনৰবাৰ অনা নাছিল। গতিকে, বিধেয়কখন সন্মতি প্ৰদানত জেইল সিঙৰ স্থগিত ৰখাৰ সিদ্ধান্তই সাৰ্থকভাবে বিধেয়কখন কেতিয়াও এখন আইনলৈ ৰূপান্তৰিত হব নোৱাৰাৰ অৰ্থকে প্ৰকাশ কৰিছিল।

DAILY ASSAM



ওচৰলৈ তেওঁৰ সন্মতিৰ বাবে পঠিওৱা হয়। সেই বিধেয়কখন সদনত পুনৰ বিবেচনাৰ বাবে ৰাষ্ট্ৰপতিয়ে ঘুৰাই পঠাব পাৰে। এই "ভেটো" ক্ষমতা সীমিত কাৰণ, যদি সংসদে পুনৰবাৰ একেখন বিধেয়কেই গ্ৰহণ কৰে আৰু ৰাষ্ট্ৰপতিলৈ সেইখন ঘূৰাই পঠায়, তেতিয়া ৰাষ্ট্ৰপতিয়ে সেই বিধেয়কত সন্মতি দিব লাগিব। অৱশ্যে, পুনৰ বিবেচনাৰ বাবে ৰাষ্ট্ৰপতিয়ে কিমান দিনৰ ভিতৰত বিধেয়কখন ঘূৰাই পঠাব লাগিব, সেই সময়সীমাৰ বিষয়ে সংবিধানত কোনো উল্লেখ নাই। ইয়াৰ অৰ্থ এই যে ৰাষ্ট্ৰপতিয়ে কোনো সময়সীমা অবিহনে বিধেয়কখন অনিশ্চিত সময়ৰ বাবে ৰাখি থব পাৰে। ইয়ে ৰাষ্ট্ৰপতিক অতি সাৰ্থকভাবে 'ভেটো' ব্যৱহাৰত অনানুষ্ঠানিক ক্ষমতা প্ৰদান কৰে। এইটো কেতিয়াবা 'পকেট ভেটো' (Pocket Veto) হিচাপে জনা যায়।

তাৰ পিছত, তৃতীয় প্ৰকাৰৰ স্বেচ্ছাধীন ক্ষমতা বেছিকৈ ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উদয় হয়। আনুষ্ঠানিকভাবে, ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীক নিযুক্তি দিয়ে। সচৰাচৰ, সংসদীয় ব্যৱস্থাত লোকসভাত যিজন নেতাৰ সংখ্যাগৰিষ্ঠৰ সমৰ্থন থাকে তেওঁকে প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হয় আৰু ইয়াত স্বেচ্ছাধীন ক্ষমতাৰ প্ৰশ্ন উদয় নহয়। কিন্তু এনে এটা পৰিস্থিতি কল্পনা কৰা যেতিয়া এটা নিৰ্বাচনৰ পিছত লোকসভাত কোনো এজন নেতাৰে এটি স্পষ্ট সংখ্যাগৰিষ্ঠতা নাই। তদুপৰি কল্পনা কৰা যে মৰ্চা গঠন কৰিবলৈ প্ৰয়াস কৰাৰ পিছত, দুজন অথবা তিনিজন নেতাই দাবী কৰিছে যে সদনত তেওঁলোকৰ সংখ্যাগৰিষ্ঠৰ সমৰ্থন আছে। এতিয়া, প্ৰধানমন্ত্ৰী হিচাপে কাক নিযুক্তি দিব সেইটো ৰাষ্ট্ৰপতিয়ে সিদ্ধান্ত গ্ৰহন কৰিব লাগে। তেনেকুৱা এটা পৰিস্থিতিত, প্ৰকৃততে কাৰ সংখ্যাগৰিষ্ঠৰ সমৰ্থন থাকিব পাৰে অথবা কোনে প্ৰকৃততে চৰকাৰ গঠন আৰু পৰিচালনা কৰিব পাৰিব সেইটো বিচাৰ কৰাত ৰাষ্ট্ৰপতিয়ে তেওঁৰ স্বেচ্ছাধীন ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

১৯৮৯ চনৰ পৰা প্ৰধান ৰাজনৈতিক পৰিবৰ্তনবোৰে ৰাষ্ট্ৰপতি পদৰ গুৰুত্ব উল্লেখযোগ্যভাবে বৃদ্ধি কৰিছে। ১৯৮৯ চনৰ পৰা ১৯৯৮ চনলৈ অনুষ্ঠিত হোৱা চাৰিটা সংসদীয় নিৰ্বাচনত কোনো এটা দলে অথবা মৰ্চাই লোকসভাত সংখ্যাগৰিষ্ঠ আসন পাবলৈ সক্ষম হোৱা নাছিল। এইবোৰ পৰিস্থিতিয়ে চৰকাৰ গঠন কৰিবৰ বাবে অথবা সদনত সংখ্যাগৰিষ্ঠতা প্ৰমান কৰিব নোৱাৰা এজন প্ৰধানমন্ত্ৰীয়ে লোকসভা ভংগৰ বাবে দিয়া অনুৰোধ অনুমোদন লাভৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ দাবী

DAILY ASSAM



**প্ৰধান মন্ত্ৰীৰ বাছনিত ৰাষ্ট্ৰপতিৰ ভুমিকা** (President's role in choosing the Prime Minister)

১৯৭৭ চনৰ পিছত, ভাৰতবৰ্ষত দলীয় ৰাজনীতি অধিক প্ৰতিযোগিতামুলক হবলৈ ধৰিছিল আৰু এনেকুৱা বহু উদাহৰণ আছিল যত লোকসভাত কোনো দলৰে স্পষ্ট সংখ্যাগৰিষ্ঠতা নাছিল। তেনেকুৱা পৰিস্থিতিত ৰাষ্ট্ৰপতিয়ে কি কৰে? ১৯৯৮ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হোৱা নিৰ্বাচনত কোনো ৰাজনৈতিক দল অথবা মৰ্চাই সংখ্যাগৰিষ্ঠতা লাভ কৰা নাছিল। বি জে পি আৰু ইয়াৰ মিত্ৰগোষ্ঠিয়ে ২৫১ খন আখন লাভ কৰিছিল, সংখ্যাগৰিষ্ঠতাৰ বাবে ২১খন আসন কম আছিল। ৰাষ্ট্ৰপতি নাৰায়ণনে এটি বিস্তৃত পদ্ধতি গ্ৰহন কৰিছিল। তেওঁ মিত্ৰগোষ্ঠিৰ নেতা অটল বিহাৰী বাজপেয়ীক "তেওঁৰ দাবীৰ সমৰ্থনত সংশ্লিষ্ঠ ৰাজনৈতিক দলবোৰৰ পৰা তথ্য দাখিল কৰিবলৈ কৈছিল।" ইয়াতেই ক্ষান্ত নাথাকি ৰাষ্ট্ৰপতিয়ে শপত গ্ৰহনৰ পৰা দহ দিনৰ ভিতৰত বাজপেয়ীক আস্থাসূচক ভোট লাভ কৰিবলৈ উপদেশ দিছিল।

কৰিছিল। গতিকে এইটো কব পাৰি যে ৰাষ্ট্ৰপতিৰ স্বেচ্ছাধীন ক্ষমতা ৰাজনৈতিক অৱস্থাৰ লগত সম্পৰ্কযুক্ত। যেতিয়া চৰকাৰ সুস্থিৰ নহয় আৰু মিত্ৰগোষ্ঠিয়ে ক্ষমতা দখল কৰে তেতিয়া ৰাষ্ট্ৰপতিৰ দৃঢ়স্থিতি গ্ৰহণৰ বহুত পৰিসৰ থাকে।

বেছিভাগ ক্ষেত্ৰতে, ৰাষ্ট্ৰপতি আনুষ্ঠানিক ক্ষমতাৰ গৰাকী আৰু ৰাষ্ট্ৰৰ আনুষ্ঠানিক মুৰব্বী। তোমালোকে আশ্চৰ্য্য হব পাৰা যে তেতিয়াহলে আমাক কিয় ৰাষ্ট্ৰপতি লাগে? সংসদীয় শাসন ব্যৱস্থাত মন্ত্ৰিপৰিষদ বিধানমণ্ডলৰ সংখ্যাগৰিষ্ঠ সমৰ্থনৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ অৰ্থ এইটোও যে যিকোনো সময়তে মন্ত্ৰী পৰিষদ বৰ্খাস্ত হব পাৰে আৰু এটি নতুন মন্ত্ৰী পৰিষদ গঠন কৰিবলগীয়া হব পাৰে। তেনেকুৱা পৰিস্থিতিত এজন ৰাষ্ট্ৰ প্ৰধানৰ আৱশ্যক হয় যাৰ এটি নিৰ্দিষ্ট কাৰ্য্যকাল থাকে, যাক প্ৰধানমন্ত্ৰীক নিযুক্তি দিবৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিব পৰা যায় আৰু যি সমগ্ৰ দেশখনকে প্ৰতীকীভাবে প্ৰতিনিধিত্ব কৰিব পাৰে। স্বাভাবিক অৱস্থাত এইটো হ'ল ৰাষ্ট্ৰপতিৰ প্ৰকৃত ভুমিকা। ইয়াৰ উপৰিও, যেতিয়া কোনো এটা দলৰে স্পষ্ট সংখ্যাগৰিষ্ঠতা নাথাকে, দেশৰ চৰকাৰ পৰিচালনা কৰিবলৈ প্ৰধানমন্ত্ৰী বাছনি আৰু নিযুক্তি দিয়াৰ অতিৰিক্ত দায়িত্ব ৰাষ্ট্ৰপতিৰ আছে।

DAILY ASSAM





**ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতি (The Vice-President of India)**

উপ-ৰাষ্ট্ৰপতিক পাঁচ বছৰৰ বাবে নিৰ্বাচিত কৰা হয়। তেওঁক নিৰ্বাচন কৰা পদ্ধতি ৰাষ্ট্ৰপতিৰ লগত সাদৃশ্য আছে, একমাত্ৰ পাৰ্থক্যটো হ'ল যে ৰাজ্যিক বিধানমণ্ডলৰ সদস্যসকল নিৰ্বাচক মণ্ডলীৰ অংশ নহয়। ৰজ্যসভাৰ সংখ্যাগৰিষ্ঠ সদস্যৰ দ্বাৰা গৃহীত এটি প্ৰস্তাৱৰ দ্বাৰা আৰু লোকসভাৰ সন্মতি সাপেক্ষে উপ-ৰাষ্ট্ৰপতিক পদৰ পৰা অপসাৰন কৰিব পাৰি। উপ-ৰাষ্ট্ৰপতি ৰাজ্যসভাৰ পদেন সভাপতি (Ex-Officio-Chairman) হিচাপে কাৰ্য্যনিৰ্বাহ কৰে আৰু যেতিয়া মৃত্যু, পদত্যাগ, মহাভিযোগৰ দ্বাৰা অপসাৰণ অথবা অন্য কাৰণত ৰাষ্ট্ৰপতিৰ পদ সাময়িকভাবে খালী হয় তেতিয়া ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব লাগে। এজন নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত নোহোৱালৈকে বি ডি জাটিয়ে (B.D. Jatti) ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

কল্পনা কৰা যে এখন ৰাজ্যত দলিতসকলৰ বিৰুদ্ধে হোৱা আতিশয্য সাৰ্থকভাবে নিয়ন্ত্ৰণ কৰিবলৈ ৰাজ্য চৰকাৰখন ব্যৰ্থ হোৱাৰ বাবে প্ৰধানমন্ত্ৰীয়ে সেই ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্ত্তন কৰিবলৈ বিচাৰে। ৰাষ্ট্ৰপতিৰ এটা বেলেগ পদমৰ্যাদা আছে। তেওঁ কৈছে যে ৰাষ্ট্ৰপতিৰ শাসন সম্বন্ধীয় ব্যৱস্থা কমকৈ মাত্ৰ প্ৰয়োগ কৰা উচিত। এই পৰিস্থিতিত নিম্নলিখিত কোনটো পথ ৰাষ্ট্ৰপতিৰ বাবে মুকলি আছে?

(ক) প্ৰধানমন্ত্ৰীক কব যে ৰাষ্ট্ৰপতিৰ শাসন জাৰিকৰা আদেশত তেওঁ স্বাক্ষৰ নকৰে।

(খ) প্ৰধানমন্ত্ৰীক বৰ্খাস্ত কৰিব।

(গ) সেই ৰাজ্যখনলৈ প্ৰধানমন্ত্ৰীক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (CRPF) পঠিয়াবলৈ কব।

(ঘ) প্ৰধানমন্ত্ৰীৰ কেনেকুৱা ভুল হৈছে সেই বিষয়ে এটি প্ৰেছ বিবৃতি দিব।


(ঙ) বিষয়টো প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা কৰিব আৰু এনেকুৱা কাৰ্য ব্যৱস্থা গ্ৰহণৰ পৰা তেওঁক মানা কৰিবলৈ চেষ্টা কৰিব, কিন্তু তেওঁ যদি দৃঢ়তা প্ৰকাশ কৰে, উপৰোক্ত আদেশত স্বাক্ষৰ কৰিবলৈ সন্মত হব।

DAILY ASSAM



**প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদ** (Prime Minister & Council of Minister)

**ব্যঙ্গঁ চিত্ৰখন পঢ়া**



**প্ৰধানমন্ত্ৰী অবিহনে মন্ত্ৰীপৰিষদ নাথাকে। এই কাৰ্টুনে দেখুৱাইছে কেনেকৈ আক্ষৰিকভাৱে, প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীপৰিষদক 'নেতৃত্ব' প্ৰদান কৰে।**

ভাৰতবৰ্ষৰ চৰকাৰ অথবা ৰাজনীতিৰ বিষয়ে এটি পদবীৰ উল্লেখ অবিহনে সাধাৰণতে আলোচনা হ'ব নোৱাৰে, সেয়া হ'ল ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী। এনেকুৱা কিয় হয় তোমালোকে কল্পনা কৰিব পাৰিছানে?

এই অধ্যায়ৰ আগত আমি ইতিমধ্যে দেখিলো যে মন্ত্ৰীপৰিষদৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে তেওঁৰ ক্ষমতা প্ৰয়োগ কৰে। প্ৰধানমন্ত্ৰী হ'ল মন্ত্ৰীপৰিষদৰ মুৰব্বী। গতিকে, মন্ত্ৰীপৰিষদৰ মুৰব্বী হিচাপে, প্ৰধানমন্ত্ৰী আমাৰ দেশৰ চৰকাৰৰ অতি গুৰুত্বপূৰ্ণ বিষয়া হিচাপে পৰিগণিত হৈছে।

সংসদীয় পদ্ধতীৰ কাৰ্য্যপালিকাত, প্ৰধানমন্ত্ৰীৰ লোকসভাত সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থন থকাটো প্ৰয়োজন। সংখ্যাগৰিষ্ঠৰ এই সমৰ্থনেও প্ৰধানমন্ত্ৰীক অতি শক্তিশালী কৰিছে। সংখ্যাগৰিষ্ঠৰ এই সমৰ্থন যেতিয়াই হেৰুৱাব তেতিয়াই প্ৰধানমন্ত্ৰীয়ে পদবী হেৰুৱায়। স্বাধীনতাৰ পিছত বহুত বছৰ ধৰি লোকসভাত কংগ্ৰেছ দলৰ সংখ্যাগৰিষ্ঠতা আছিল আৰু ইয়াৰ নেতাই প্ৰধানমন্ত্ৰী হৈছিল। ১৯৮৯ চনৰ পৰা বিভিন্ন সময়ত লোকসভাত কোনো দলৰে সংখ্যাগৰিষ্ঠতা নাছিল আৰু বিভিন্ন ৰাজনৈতিক দল একত্ৰিত

DAILY ASSAM



হৈছিল আৰু এটি মৰ্চা গঠন কৰিছিল। তেনেকুৱা পৰিস্থিতিত, যিজন নেতা বেছিভাগ মৰ্চাৰ অংশীদাৰৰ গ্ৰহণযোগ্য হয়, আনুষ্ঠানিকভাবে, যিজন নেতাৰ সংখ্যাগৰিষ্ঠৰ সমৰ্থন থাকে তেওঁকে ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হয়।

প্ৰধানমন্ত্ৰীয়ে তেতিয়া মন্ত্ৰীপৰিষদত কোন কোন মন্ত্ৰী হিচাপে থাকিব সেইটো সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসকলৰ মাজত স্থান আৰু দপ্তৰ বিতৰণ কৰে। জেষ্ঠতা আৰু ৰাজনৈতিক গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰি মন্ত্ৰীসকলক কেবিনেট মন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী অথবা উপমন্ত্ৰীৰ পদ প্ৰদান কৰা হয়। একেদৰে ৰাজ্যবোৰৰ মূখ্যমন্ত্ৰী সকলেও তেওঁলোকৰ নিজৰ দল অথবা মৰ্চাৰ পৰা মন্ত্ৰীসকলক বাছনি কৰে। প্ৰধানমন্ত্ৰী আৰু সকলো মন্ত্ৰী সংসদৰ সদস্য হ'ব লাগিব। কোনোবাই যদি সংসদৰ সদস্য নোহোৱাকৈ এজন মন্ত্ৰী অথবা প্ৰধানমন্ত্ৰী হয়, তেনেকুৱা ব্যক্তি ছয়মাহৰ ভিতৰত সংসদলৈ নিৰ্বাচিত হব লাগিব।

বিধানমণ্ডলৰ অধ্যায়ত কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰাৰ বিভিন্ন উপায়ৰ বিষয়ে তোমালোকে বিস্তৃতভাবে অধ্যায়ন কৰিবা। কিন্তু মনত ৰাখিবা যে সংসদীয় কাৰ্য্যপালিকাৰ অতি গুৰুত্বপুৰ্ণ বৈশিষ্ট হৈছে কাৰ্য্যপালিকা নিয়মিত ভাবে বিধানমণ্ডলৰ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণৰ অধীন।

**ব্যঙ্গঁ চিত্ৰখন পঢ়া**




*Is that all that matters, the portfolio? The house, the car, the servants, travel, the foreign trips, the security, the secretaries, etc., don't they mean anything to you?*

মানুহে কিয় মন্ত্ৰী হব বিচাৰে? সেয়া যে মাত্ৰ উপাৰ্জ্জিত ধন আৰু পদমৰ্য্যদাৰ বাবে সেইটো এই চিত্ৰখনে আভাস দিয়া যেন লাগে। তেতিয়া হ'লে কিছুমান দপ্তৰৰ বাবে কিয় প্ৰতিযোগিতা হয়?

মন্ত্ৰী পৰিষদ সমুহীয়াভাবে লোকসভাৰ ওচৰত দায়বদ্ধ। এই ব্যৱস্থাৰ অৰ্থ হ'ল এই যে লোকসভাৰ আস্থা হেৰুৱা মন্ত্ৰী পৰিষদে পদত্যাগ কৰিবলৈ বাধ্য। এই নীতিয়ে সূচায় যে পৰিষদ হ'ল সংসদৰ এটি কাৰ্য্যকৰী সমিটি (Executive Committee) আৰু ই সংসদৰ হৈ সমুহীয়াভাবে শাসন কৰে। সমূহীয়া দায়বদ্ধতা কেবিনেটৰ ঐক্য নীতিৰ ওপৰত নিৰ্ভৰশীল। আনকি এজন মন্ত্ৰীৰ বিৰুদ্ধে উত্থাপিত হোৱা এটি অনাস্থা প্ৰস্তাৱৰ বাবে সমূহ মন্ত্ৰী পৰিষদে পদত্যাগ কৰিবলগীয়া হোৱাকে ই সূচায়।

DAILY ASSAM



(সংবিধান সভাত কেইজনমান সদস্যই মত পোষণ কৰিছিল যে মন্ত্ৰীসকলক বিধানমণ্ডলৰ দ্বাৰা নিৰ্বাচিত কৰা উচিত আৰু প্ৰধানমন্ত্ৰী অথবা মুখ্যমন্ত্ৰীৰ দ্বাৰা বাছনি কৰা অনুচিত; "চুইচ (SWISS) ব্যৱস্থাৰ অধীনত বিধানমণ্ডলে কাৰ্য্যপালিকাক এটা নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্বাচিত কৰে... মোৰ মতে প্ৰদেশবোৰৰ বাবে উৎকৃষ্ট ধৰণৰ চৰকাৰ .. একক হস্তান্তৰযোগ্য ভোটৰ ব্যৱস্থা.. কাৰ্য্যপালিকাক নিযুক্তিৰ বাবে গ্ৰহণ কৰিব পৰা উৎকৃষ্ট ব্যৱস্থা কাৰণ ইয়ে সকলো স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰিব আৰু বিধানসভাত কোনো দলৰেই প্ৰতিনিধি নকৰাৰ অনুভৱ নাথাকিব।" বেগম আজিজ ৰছুল).
CAD Vol. IV P.635

**মন্ত্ৰী পৰিষদৰ আকাৰ** (Size of the Council of Minister)
(৯১ তম সংশোধনী আইনৰ (২০০৩) আগত; সময় আৰু পৰিস্থিতিৰ দাবী অনুসৰি মন্ত্ৰীপৰিসদৰ আকাৰ নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু ইয়াৰ ফলত মন্ত্ৰী পৰিষদৰ আকাৰ যথেষ্ট ডাঙৰ হৈছিল। ইয়াৰ উপৰিও যেতিয়া, কোনো দলৰে স্পষ্ট সংখ্যাগৰিষ্ঠতা নাছিল, সংসদৰ সদস্যসকলক মন্ত্ৰীত্ব প্ৰদানৰ টোপ দি সমৰ্থন লাভৰ চেষ্টা কৰিছিল যিহেতু মন্ত্ৰীপৰিষদৰ সদস্যসংখ্যাৰ কোনো সীমা নাছিল। এইটো বিভিন্ন ৰাজ্যত হোৱা দেখা হৈছিল।) গতিকে, মন্ত্ৰী পৰিষদ যাতে লোকসভাৰ (বা ৰাজ্যৰ ক্ষেত্ৰত বিধানসভা) মুঠ সদস্যসংখ্যাৰ ১৫ শতাংশৰ বেছি হব নোৱাৰে তাৰ বাবে এটি সংশোধন ঘটোৱা হৈছিল।

ই ইয়াকো সূচায় যে যদি এজন মন্ত্ৰীয়ে কেবিনেটৰ কোনো এটা নীতি অথবা সিদ্ধান্তত একমত নহয়, তেন্ত তেওঁ হয় সিদ্ধন্ত গ্ৰহণ কৰিব লাগিব নহয় পদত্যাগ কৰিব লাগিব। যত সমূহীয়া দায়বদ্ধতা আছে তাত সকলো মন্ত্ৰীয়ে কোনো নীতি মানি চলিব অথবা সহমত প্ৰকাশ কৰিবলৈ বাধ্য।

ভাৰতবৰ্ষত, প্ৰধানমন্ত্ৰীয়ে চৰকাৰত এটি বৈশিষ্ট পুৰ্ণ স্থান লাভ কৰে। প্ৰধানমন্ত্ৰী অবিহনে মন্ত্ৰী পৰিষদ বৰ্ত্তি থাকিব নোৱাৰে। প্ৰধানমন্ত্ৰীয়ে শপত গ্ৰহন কৰাৰ পিছতহে মন্ত্ৰী পৰিষদ গঠিত হয়। প্ৰধানমন্ত্ৰীৰ মৃত্যু অথবা পদত্যাগৰ ফলস্বৰূপে মন্ত্ৰীপৰিষদখন নিজে নিজে ভংগ হৈ যায় কিন্তু এজন মন্ত্ৰীৰ মৃত্যু, পদত্যাগ অথবা অপসাৰণে মন্ত্ৰী পৰিষদত এটি খালী

DAILY ASSAM



পদবীৰ সৃষ্টি কৰে। প্ৰধানমন্ত্ৰীয়ে এহাতে মন্ত্ৰী পৰিষদ আৰু আনহাতে ৰাষ্ট্ৰপতি আৰু সংসদৰ মাজত যোগসূত্ৰ হিচাপে কাম কৰে। প্ৰধানমন্ত্ৰীৰ এই ভুমিকাৰ বাবে পণ্ডিত জৱহৰলাল নেহেৰুৱে তেওঁক "চৰকাৰৰ লাই-খুঁটা" হিচাপে আখ্যা দিছিল। কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসন বিষয়ক আৰু আইন প্ৰণয়নৰ প্ৰস্তাৱ সম্পৰ্কীয় মন্ত্ৰীপৰিষদৰ সকলো সিদ্ধান্ত ৰাষ্ট্ৰপতিক অবগত কৰাটোও প্ৰধানমন্ত্ৰীৰ সাংবিধানিক দায়িত্ব। চৰকাৰৰ সকলো জৰুৰী সিদ্ধান্ত আৰু নীতি নিৰ্ধাৰণৰ লগত প্ৰধানমন্ত্ৰী জড়িত। এইদৰে প্ৰধানমন্ত্ৰীয়ে প্ৰয়োগ কৰা ক্ষমতা বিভিন্ন উৎসৰ পৰা প্ৰবাহিত হয় ঃ মন্ত্ৰীপৰিষদৰ ওপৰত নিয়ন্ত্ৰণ, লোকসভাৰ নেতৃত্ব, আমোলাতান্ত্ৰিক যন্ত্ৰৰ ওপৰত নিৰ্দেশ, গণসংযোগ মাধ্যমৰ সন্মুখীন হোৱা, নিৰ্বাচনৰ সময়ত ব্যক্তিত্বৰ প্ৰক্ষেপন, আন্তৰাষ্ট্ৰীয় সন্মিলন তথা বিদেশ ভ্ৰমণৰ সময়ত জাতীয় নেতা হিচাপে প্ৰক্ষেপন। যি নহওঁক, প্ৰধানমন্ত্ৰীয়ে যি ক্ষমতা প্ৰয়োগ কৰে আৰু বাস্তব ক্ষেত্ৰত ভোগ কৰে সেইটো প্ৰচলিত ৰাজনৈতিক অবস্থাৰ ওপৰত নিৰ্ভৰ কৰে। যেতিয়া এটাই মাত্ৰ ৰাজনৈতিক দলে লোকসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰে তেতিয়া প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীপৰিষদৰ স্থান শক্তিশালী হয়। অৱশ্যে যেতিয়া চৰকাৰ বিভিন্ন ৰাজনৈতিক দলৰ সহযোগত গঠিত হয় তেতিয়া এনেকুৱা পৰিস্থিতিৰ সৃষ্টি নহয়। ১৯৮৯ চনৰ পৰা ভাৰতবৰ্ষত আমি বহুত মৰ্চা চৰকাৰ দেখিলো। এই চৰকাৰবোৰৰ বহুতে লোকসভাৰ পূৰ্ণ কাৰ্য্যকালৰ বাবে ক্ষমতাত থাকিব পৰা নাছিল। সংখ্যাগৰিষ্ঠৰ সমৰ্থন হেৰুৱাৰ বাবে তেওঁলোক হয় অপসাৰিত হৈছিল অথবা পদত্যাগ কৰিছিল। এনেকুৱা অবস্থাই কাৰ্য্যক্ষেত্ৰত সংসদীয় কাৰ্য্যপালিকাৰ কাৰ্য্য পদ্ধতিক বহু পৰিমানে ক্ষতি কৰিছে।

প্ৰথমতে, এনেকুৱা পৰিস্থিতিৰ ফলস্বৰূপে প্ৰধানমন্ত্ৰী বাছনিৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ স্বেচ্ছাধীন ক্ষমতাৰ ভুমিকা যি সেয়া বৃদ্ধি পাইছে। দ্বিতীয়তে, এই সময়ছোৱাত ভাৰতীয় ৰাজনীতিৰ জোঁট-বন্ধন প্ৰকৃতিয়ে ৰাজনৈতিক অংশীদাৰ দলবোৰৰ মাজত পৰামৰ্শ লোৱাৰ আৱশ্যক কৰি তুলিছিল, যি প্ৰধানমন্ত্ৰীৰ কৰ্তৃত্বৰ খহনীয় হোৱাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। তৃতীয়তে, মন্ত্ৰী বাছনি কৰা আৰু তেওলোকৰ স্থান আৰু দপ্তৰৰ




*এজন ব্যক্তি তেওঁ ক্ষমতাশালী হোৱা কাৰনে প্ৰধানমন্ত্ৰী হয় নেকি অথবা কেতিয়াবা প্ৰধান মন্ত্ৰী হ'লে তুমি ক্ষমতাশালী হবা নেকি?*

DAILY ASSAM



**ব্যঙ্গ চিত্ৰখন পঢ়া**




*My troubles are not over - I won the confidence vote!*

R K Laxman in The Times of India

*এই মুখ্যমন্ত্ৰীজন আস্থাসুচক প্ৰস্তাৱত জয়ী হোৱাৰ পিছতো আনকি সুখী নহয়! তেনেকুৱা কিয় হয় কল্পনা কৰিব পাৰিছানে?*

বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত থকা প্ৰধানমন্ত্ৰীৰ বিভিন্ন বিশেষাধিকাৰত ইয়ে সীমাবদ্ধতা আনিছিল। চতুৰ্থতে, আনকি চৰকাৰৰ বিভিন্ন নীতি আৰু কাৰ্য্যসূচী প্ৰধানমন্ত্ৰীৰ দ্বাৰা অকলে সিদ্ধান্ত গ্ৰহন কৰিব পৰা নাযায়। চৰকাৰ গঠন কৰিবলৈ বিভিন্ন আদৰ্শৰ ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ পূৰ্বে আৰু নিৰ্বাচনৰ পিছত মিত্ৰগোষ্ঠী হিচাপে একেলগ হয়। মিত্ৰগোষ্ঠীৰ মাজত বহুতো আলোচনা আৰু এৰা ধৰাৰ পিছত কৰ্ম আচনি তৈয়াৰ কৰা হয়। এই গোটেই প্ৰক্ৰিয়াত, প্ৰধানমন্ত্ৰীয়ে চৰকাৰৰ এজন নেতাৰ সলনি আপোচকাৰী হিচাপেহে কাৰ্য্যনিৰ্বাহ কৰিব লগীয়া হয়।

ৰাজ্যিক পৰ্য্যায়ত, কিছু তাৰতম্যৰে একেধৰণৰ সংসদীয় কাৰ্য্যপালিকা থাকে। গুৰুত্বপুৰ্ণ পাৰ্থক্যটো হৈছে যে ৰাজ্যত ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত এজন (কেন্দ্ৰীয় চৰকাৰৰ উপদেশত) ৰাজ্যপাল থাকে। যদিও মুখ্যমন্ত্ৰী প্ৰধানমন্ত্ৰীৰ নিচিনাকৈ বিধান সভাত সংখ্যাগৰিষ্ঠ দলৰ নেতা তথাপিও ৰাজ্যপালৰ অধিক স্বেচ্ছাধীন ক্ষমতা আছে। যি নহওক, ৰাজ্যিক পৰ্য্যায়তো সংসদীয় ব্যৱস্থাৰ প্ৰধান নীতিবোৰ কাৰ্য্যকৰী হয়।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

ধৰাহ'ল প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীপৰিষদক বাছনি কৰিব লাগে। তেও কি কৰিব?

(ক) যি সকল বিভিন্ন বিষয়ত বিশেষজ্ঞ তেওঁলোকক বাছনি কৰিব।

(খ) যি সকল তেওৰ দলৰ তেওঁলোককহে বাছনি কৰিব।

(গ) যি সকল চৰকাৰৰ সমৰ্থক তেওঁলোককহে বাছনি কৰিব।

(ঘ) বিভিন্ন প্ৰাৰ্থীৰ ৰাজনৈতিক গুৰুত্বক বিবেচনা কৰিব আৰু তেওঁলোকৰ মাজৰ পৰা বাছনি কৰিব।

DAILY ASSAM





## স্থায়ী কাৰ্য্যপালিকাঃ আমোলাতন্ত্ৰ (Permanent Executive: Bureaucracy)

**মন্ত্ৰী সকলৰ সিদ্ধান্তবোৰক কোনে ৰূপায়িত কৰে?**

চৰকাৰৰ কাৰ্য্যবাহী অংগই প্ৰধানমন্ত্ৰী, মন্ত্ৰীবৰ্গ আৰু এটি বৃহৎ সংগঠন আমোলাতন্ত্ৰ অথবা প্ৰশাসনীয় যন্ত্ৰক সামৰি লয়। এই প্ৰশাসন যন্ত্ৰ আৰু সামৰিক সেৱাৰ মাজত থকা পাৰ্থক্যৰ গুৰুত্ব আৰোপ কৰিবলৈ, ইয়াক অসামৰিক সেৱা হিচাপে বৰ্ণনা কৰা হৈছে। মন্ত্ৰীসকলক নীতি নিৰ্ধাৰন আৰু এই নীতিবোৰ ৰূপায়নত সহায় কৰিবলৈ চৰকাৰৰ স্থায়ী কৰ্মচাৰী হিচাপে কামকৰা প্ৰশিক্ষিত আৰু দক্ষতাপূৰ্ণ বিষয়াৰ ওপৰত দায়িত্ব অৰ্পন কৰিছে।

গণতন্ত্ৰত, নিৰ্বাচিত প্ৰতিনিধিবৰ্গ আৰু মন্ত্ৰীসকল চৰকাৰৰ দায়িত্বত থাকে আৰু প্ৰশাসন তেওঁলোকৰ তত্বাৱধান আৰু নিয়ন্ত্ৰণাধীন। সংসদীয় শাসন ব্যৱস্থাত, প্ৰশাসনৰ ওপৰত বিধানমণ্ডলেও নিয়ন্ত্ৰণ সাব্যস্ত কৰে। বিধানমণ্ডলে গ্ৰহণ কৰা নীতি ভংগ কৰি প্ৰশাসনীয় বিষয়াসকলে কাম কৰিব নোৱাৰে। প্ৰশাসনৰ ওপৰত ৰাজনৈতিক নিয়ন্ত্ৰণ বজায় ৰখাটো মন্ত্ৰীসকলৰ দায়বদ্ধতা। ভাৰতবৰ্ষই পেছাদাৰী প্ৰশাসনীয় যন্ত্ৰ প্ৰতিস্থা কৰিছে। একে সময়তে, এই যন্ত্ৰটোক ৰাজনৈতিকভাৱে জবাবদিহি কৰা হৈছে। আমোলাতন্ত্ৰকও ৰাজনৈতিকভাৱে নিৰপেক্ষ হোৱাটো আশা কৰা কৰা হৈছে। ইয়াৰ অৰ্থ হ'ল যে নীতি নিৰ্ধাৰণৰ বিষয়ত আমোলাতন্ত্ৰই কোনো ৰাজনৈতিক স্থান গ্ৰহণ নকৰিব। এখন গণতন্ত্ৰত, এটা দলে নিৰ্বাচনত পৰাজয় বৰণ কৰা আৰু নতুন চৰকাৰে আগৰ চৰকাৰখনে লোৱা নীতিৰ স্থানত নতুন নীতি গ্ৰহণ কৰাটো সদায় সম্ভৱ হব পাৰে। তেনেকুৱা পৰিস্থিতিত বিশ্বাসযোগ্য আৰু যোগ্যতাৰে খচৰা প্ৰস্তুত কৰা আৰু ইয়াক ৰূপায়ণ কৰাত অংশগ্ৰহন কৰাটো প্ৰশাসনীয় যন্ত্ৰৰ দায়িত্ব।

ভাৰতীয় আমোলাতন্ত্ৰ আজি বিস্তৃতভাবে এটি জটিল ব্যৱস্থা। ই সৰ্বভাৰতীয় সেৱা, ৰাজ্যিক সেৱা , স্থানীয় চৰকাৰৰ কৰ্মচাৰী, আৰু ৰাজহুৱা খণ্ড পৰিচালনা কৰা কাৰিকৰী আৰু পৰিচালক কৰ্মচাৰী মণ্ডলীক লৈ গঠিত হৈছে। আমাৰ সংবিধান প্ৰণয়ণকাৰীসকলে নিৰপেক্ষ আৰু পেছাদাৰী আমোলাতন্ত্ৰৰ গুৰুত্বৰ বিষয়ে অৱগত আছিল। অসমাৰিক সেৱা অথবা আমোলাতন্ত্ৰৰ সদস্যসকলক নিৰপেক্ষভাবে মেধাৰ ভিত্তিত বাছনি হোৱাটো তেওঁলোকেও কামনা কৰিছিল। গতিকে, ভাৰত চৰকাৰৰবাবে অসামৰিক সেৱাৰ লোকসকলক বাছনি কৰাৰ প্ৰক্ৰিয়া, পৰিচালনাৰ ভাৰ কেন্দ্ৰীয় লোক

DAILY ASSAM



সেৱা আয়োগৰ ওপৰত ন্যস্ত কৰা হৈছে। ৰাজ্যবোৰৰ বাবেও তেনেকুৱা লোকসেৱা আয়োগৰ ব্যৱস্থা কৰা হৈছে। লোকসেৱা আয়োগৰ সদস্যসকলক এটা নিৰ্দিষ্ট কাৰ্য্যকালৰ বাবে নিযুক্তি দিয়া হয়। তেওঁলোকৰ অপসাৰণ অথবা নিলম্বন এজন উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা বিতং অনুসন্ধানৰ চৰ্তসাপেক্ষেহে হয়।

যি সময়ত প্ৰাৰ্থী বাছনি কৰাৰ বাবে যোগ্যতা আৰু মেধা হ'ল মান, দূৰ্বল শ্ৰেণীকে ধৰি সমাজৰ সকলো শ্ৰেণীয়ে যাতে ৰাজহুৱা আমোলাতন্ত্ৰৰ অংশ হোৱাৰ এটি সুবিধা পায় তাৰ নিশ্চয়তা সংবিধানে প্ৰদান কৰে।



*হয়, মই জানো যে বিষয়াসকল জনসাধাৰণক সেৱা কৰিবলৈ আছে। কিন্তু জনসাধাৰণ সদায় এই সকল বিষয়াৰ প্ৰতি ভীতিগ্ৰস্ত আৰু বিষয়াসকলও যেন প্ৰভু তেনেকুৱাকৈ ব্যৱহাৰ কৰে।*

এই উদ্দেশ্যে, দলিত আৰু আদিবাসী সকলৰ বাবে সংবিধানে চাকৰি সংৰক্ষণৰ ব্যৱস্থা কৰিছে। পৰৱৰ্তীকালত মহিলা আৰু অনুন্নত শ্ৰেণীৰ বাবেও সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাবোৰে আমোলাতন্ত্ৰক অধিক প্ৰতিনিধিত্বমুলক হোৱাত আৰু অসামৰিক সেৱা বাছনিৰ ক্ষেত্ৰত সামাজিক অসমতা প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰাৰ নিশ্চয়তা প্ৰদান কৰে।

### অসামৰিক সেৱাৰ শ্ৰেণী বিভাজন

- সৰ্বভাৰতীয় সেৱা ঃ
  - ভাৰতীয় প্ৰশাসনীয় সেৱা
  - ভাৰতীয় পুলিচ সেৱা
- কেন্দ্ৰীয় সেৱা ঃ
  - ভাৰতীয় বৈদেশিক সেৱা
  - ভাৰতীয় ৰাজহ সেৱা
- ৰাজ্যিক সেৱা ঃ
  - বিক্ৰীকৰ বিষয়া

কেন্দ্ৰীয় লোক সেৱা আয়োগে (UPSC) ভাৰতীয় প্ৰশাসনীয় সেৱা আৰু ভাৰতীয় পুলিচ সেৱাৰ বাবে বাছনি কৰা ব্যক্তিৰ দ্বাৰা ৰাজ্যসমূহৰ উচ্চপৰ্য্যায়ৰ আমোলাতন্ত্ৰৰ মেৰুদণ্ড গঠিত হয়। জিলা পৰ্য্যায়ত এখন জিলাৰ উপায়ুক্ত (Collector) যে চৰকাৰৰ অতি গুৰুত্বপূৰ্ণ বিষয়া তোমালোকে সম্ভৱ জানা। উপায়ুক্ত যে সাধাৰণতে এজন ভাৰতীয় প্ৰশাসনীয় সেৱাৰ (IAS) বিষয়া আৰু বিষয়াজন

যে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৰোপিত চাকৰিৰ চৰ্তৰ দ্বাৰা নিয়ন্ত্ৰিত তোমালোকে জানানে? এজন ভাৰতীয় অসামৰিক সেৱা অথবা ভাৰতীয় পুলিচ বিষয়াক এখন নিৰ্দিষ্ট ৰাজ্যত নিৰ্ধাৰন কৰি দিয়া হয়, য'ত তেওঁ ৰাজ্য চৰকাৰখনৰ নিৰীক্ষণৰ অধীনত কাম কৰে। অবশ্যে আই. এ. এছ অথবা আই পি এছ বিষয়াসকলক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া হয়, তেওলোকে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিলৈ পুনৰ ঘূৰি যাব পাৰে আৰু অতি গুৰুত্বপূৰ্ণভাৱে, তেওলোকৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা মাত্ৰ কেন্দ্ৰীয় চৰকাৰেহে গ্ৰহন কৰিব পাৰে। ইয়াৰ অৰ্থ হ'ল যে ৰাজ্যসমূহৰ অতি গুৰুত্বপূৰ্ণ প্ৰশাসনীয় বিষয়াসকল কেন্দ্ৰীয় চৰকাৰৰ তত্বাৱধান আৰু নিয়ন্ত্ৰনাধীন। কেন্দ্ৰীয় লোক সেৱা আয়োগৰ (UPSC) ৰ দ্বাৰা নিযুক্ত আই.এ.এছ. আৰু আই পি এছ বিষয়াসকলৰ উপৰিও ৰাজ্যিক লোকসেৱা আয়োগৰ জৰিয়তে নিযুক্ত বিষয়াসকলৰ দ্বাৰা ৰাজ্যৰ প্ৰশাসন চোৱা-চিতা কৰা হয়। আমি যিহেতু পিছত যুক্তৰাষ্ট্ৰবাদ অধ্যায়ত আলোচনা কৰিম, ৰাজ্যিক প্ৰশাসনৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰনক আমোলাতন্ত্ৰৰ এই বৈশিষ্ট্যই শক্তিশালী কৰিছে।

আমোলাতন্ত্ৰ হ'ল এটি মাধ্যম যাৰ জৰিয়তে চৰকাৰৰ কল্যাণকামী আচনিবোৰ জনসাধাৰণৰ ওচৰলৈ প্ৰসাৰিত হ'ব লাগিব। কিন্তু আমোলাতন্ত্ৰ প্ৰায়েই ইমান ক্ষমতাশালী যে সৰ্বসাধাৰণ ৰাইজে এজন চৰকাৰী বিষয়াৰ কাষ চাপিবলৈ ভয় কৰে। জনসাধাৰণৰ এইটো এটা গতানুগতিক অভিজ্ঞতা যে সাধাৰণ নাগৰিকৰ প্ৰয়োজন আৰু আকাংক্ষাৰ প্ৰতি আমোলাতন্ত্ৰ উদাসীন। আমোলাতন্ত্ৰক যদি গণতান্ত্ৰিকভাবে নিৰ্বাচিত চৰকাৰখনে নিয়ন্ত্ৰণ কৰে, কিছু সামৰ্থকভাবে এই সমস্যা সমাধান কৰিব পৰা যাব। আনহাতে, অত্যাধিক ৰাজনৈতিক হস্তক্ষেপে আমোলাতন্ত্ৰক ৰাজনীতিকাৰীৰ হাতৰ পুতলালৈ ৰূপান্তৰিত কৰে। বাছনিৰ বাবে সংবিধানে যদিও স্বতন্ত্ৰ যন্ত্ৰৰ সৃষ্টি কৰিছে, বহুতো মানুহে ভাৱে যে অসামৰিক সেৱাৰ লোকসকলক তেওলোকৰ দায়িত্ব পালনত ৰাজনৈতিক হস্তক্ষেপৰ পৰা সুৰক্ষা দিবলৈ কোনো ব্যৱস্থা নাই। আমোলাতন্ত্ৰক নাগৰিকৰ ওচৰত জবাবদিহি নিশ্চিত কৰিবলৈ যথেষ্ট ব্যৱস্থা নাই বুলি ভবা হয়। তথ্য জনাৰ অধিকাৰ (Right to Information) নিচিনা ব্যৱস্থাই আমোলাতন্ত্ৰক সামান্য পৰিমাণে অধিক সহানুভূতিশীল আৰু দায়িত্বশীল কৰিব বুলি আশা কৰা যায়।'

DAILY ASSAM



## সামৰণি

আধুনিক কাৰ্য্যপালিকা চৰকাৰৰ এটি অতি শক্তিশালী অনুষ্ঠান। চৰকাৰৰ অন্য অংগৰ তুলনাত কাৰ্য্যপালিকাই অধিক ক্ষমতা ভোগ কৰে। ইয়ে কাৰ্য্যপালিকাৰ ওপৰত অধিক গণতান্ত্রিক নিয়ন্ত্রণৰ প্রয়োজনীয়তাৰ সৃষ্টি কৰে। আমাৰ সংবিধান ৰচনাকাৰীসকলে দূৰদৃষ্টিৰে সৈতে চিন্তা কৰিছিল যে কাৰ্য্যপালিকাক দৃঢ়তাৰে নিয়মীয়াকৈ তত্ত্বাৱধান আৰু নিয়ন্ত্রনাধীন কৰি ৰাখিব লাগিব। সেইবাবে এটি সংসদীয় কাৰ্য্যপালিকা বাছনি কৰিছিল। নিয়মিত ব্যৱধানত নিৰ্বাচন, ক্ষমতাৰ প্রয়োগত সাংবিধানিক সীমাবদ্ধতা আৰু গণতান্ত্রিক ৰাজনীতি আদিয়ে কাৰ্য্যবাহী অংগক দায়িত্বহীন হ'ব নোৱাৰাটো নিশ্চয়তা প্রদান কৰিছে।

## অনুশীলনী

১। এটি সংসদীয় কাৰ্য্যপালিকাৰ অৰ্থ হ'ল ঃ

(ক) এটি সংসদ থকা কাৰ্য্যপালিকা

(খ) সংসদৰ দ্বাৰা নিৰ্বাচিত কাৰ্য্যপালিকা

(গ) সংসদে য'ত কাৰ্য্যপালিকা হিচাপে কাৰ্য নিৰ্বাহ কৰে

(ঘ) সংসদত সংখ্যাগৰিষ্ঠ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰা কাৰ্য্যপালিকা

২। এই কথোপকথন পঢ়া। কোনটো যুক্তি তুমি গ্রহণ কৰা? কিয়?

অমিত ঃ সাংবিধানিক ব্যৱস্থাৰে চাই, ৰাষ্ট্ৰপতিক ৰাবাৰ ষ্টাম্প (Rubber stamp) যেন লাগে।

চামা ঃ প্রধানমন্ত্রীক ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। গতিকে, তেওঁৰ প্রধানমন্ত্রীক অপসাৰণ কৰাৰো ক্ষমতা থাকিব লাগে।

ৰাজেচ ঃ আমাক এজন ৰাষ্ট্ৰপতিৰ প্রয়োজন নাই। নিৰ্বাচনৰ পিচত সংসদ

DAILY ASSAM



মিলিত হ'ব পাৰে আৰু এজন নেতাক প্ৰধানমন্ত্ৰী নিৰ্বাচিত কৰিব লাগে।

৩। নিম্নোলিখিতবোৰ মিলোৱা

| | |
|---|---|
| (ক) য'ত বাছনি হয় সেই নিৰ্দ্দিষ্ট ৰাজ্যত কাম কৰে | (ক) ভাৰতীয় বৈদেশীক সেৱা |
| (খ) দেশৰ ৰাজধানী অথবা দেশৰ আন ঠাইত অৱস্থিত যিকোনো কেন্দ্ৰীয় চৰকাৰৰ কাম কৰে | (খ) ৰাজ্যিক অসামৰিক সেৱা |
| (গ) য'ত আবণ্টন দিয়া হৈছে সেই নিৰ্দিষ্ট ৰাজ্যত কাম কৰে, ডেপুটেচনত (Deputation) পঠাব পাৰে | (গ) সৰ্বভাৰতীয় সেৱা কেন্দ্ৰলৈ |
| (ঘ) দেশৰ বাহিৰত ভাৰতীয় উচ্ছায়ুক্তত কাম কৰে | (ঘ) কেন্দ্ৰীয় সেৱা |

৪। তলত উল্লেখিত সংবাদ কোন মন্ত্ৰালয়ে প্ৰচাৰ কৰিব পাৰে চিনাক্ত কৰা। এইটো কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰৰ এটি মন্ত্ৰালয় হয় নে? কিয়?

(ক) এটি চৰকাৰী বিজ্ঞাপ্তিয়ে কৈছিল যে ২০০৪-০৫ চনত তামিলনাডু পাঠ্যপুথি নিগমে সপ্তম, দশম আৰু একাদশ শ্ৰেণীৰ বাবে নতুন সংস্কৰণ মুকলি কৰিছে।

(খ) আকৰ ৰপ্তানিকাৰী সকলক সহায় কৰিবলৈ জনসমাগম হোৱা টিৰুভাল্লুৰ চেন্নাই অংশৰ এটি নতুন ৰেলৰ লুপ লাইন (Loop Line) উপপথ মাজেৰে পাৰ হৈ যাব। নতুন আলিটো, যি ৮০ কিঃ মিঃ দৈৰ্ঘ্য হোৱাৰ সম্ভৱনা আছে, পুটুৰত (Puttur) এৰিব আৰু বন্দৰৰ ওচৰত থকা আথিপাটু (Athipattu) গৈ পাব।

(গ) ৰামায়ামপেটে (Ramayampet) মণ্ডলত কৃষকে আত্মহত্যাৰ সত্যতা নিৰূপণ কৰিবলৈ গঠন কৰা মহকুমা পৰ্য্যায়ৰ তিনিজনীয়া সমিতিয়ে উদঘাটন কৰিছিল যে এই মাহত আত্মহত্যা কৰা দুজন খেতিয়কৰ ফচল নষ্ট হোৱা বাবে অৰ্থনৈতিক সমস্যাৰ সৃষ্টি হৈছিল।

৫। প্ৰধানমন্ত্ৰী নিযুক্তিৰ বাবে ৰাষ্ট্ৰপতিয়ে বাছনি কৰে

(ক) লোকসভাৰ বৃহৎ দলৰ নেতাক

(খ) মিত্ৰজোটৰ বৃহৎ দলৰ যি লোকসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰে

DAILY ASSAM



(গ) ৰাজ্যসভাৰ বৃহৎ দলৰ নেতাক

(ঘ) মৰ্চাৰ নেতাক অথবা যি দলৰ লোকসভাত সংখ্যাগৰিষ্ঠৰ সমৰ্থন আছে

৬। এই আলোচনাটো পঢ়া আৰু কোনটো উক্তি ভাৰতবৰ্ষৰ ক্ষেত্ৰত অধিক প্ৰযোজ্য হয় কোৱা।

আলোক ঃ প্ৰধানমন্ত্ৰী এজন ৰজাৰ নিচিনা, তেওঁ আমাৰ দেশত প্ৰত্যেকটো সিদ্ধান্ত গ্ৰহণ কৰে।

শেখৰ ঃ প্ৰধানমন্ত্ৰী "সমানৰ মাজত প্ৰথম" (first among equals) মাত্ৰ, তেওঁৰ কোনো বিশেষ ক্ষমতা নাই। প্ৰধানমন্ত্ৰী আৰু সকলো মন্ত্ৰীৰ একেধৰণৰ ক্ষমতা আছে।

ববী ঃ প্ৰধানমন্ত্ৰীয়ে দলীয় সদস্য আৰু চৰকাৰৰ অন্য সমৰ্থকৰ আকাংক্ষাক বিবেচনা কৰিব লাগে। কিন্তু মুঠতে, প্ৰধানমন্ত্ৰীৰ নীতি নিৰ্ধাৰণ আৰু মন্ত্ৰীসকলক বাছনি কৰাৰ ক্ষেত্ৰত অধিক মত প্ৰকাশ কৰাৰ সুযোগ থাকে।

৭। ৰাষ্ট্ৰপতিৰ ওপৰত মন্ত্ৰীপৰিষদৰ পৰামৰ্শ কিয় বাধ্যতামুলক বুলি তুমি ভাবা? ১০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়া।

৮। কাৰ্য্যপালিকা নিয়ন্ত্ৰণৰ বাবে সংসদীয় পদ্ধতিৰ কাৰ্য্যপালিকাই বিধানমণ্ডলৰ ওচৰত বহুত ক্ষমতা অৰ্পন কৰিছে। কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰা কিয় ইমান প্ৰয়োজন বুলি তুমি ভাবা?

৯। প্ৰশাসনীয় যন্ত্ৰৰ কাৰ্য্যত অত্যাধিক ৰাজনৈতিক হস্তক্ষেপ থকা বুলি কোৱা হয়। এইটো পৰামৰ্শ দিয়া হয় যে অধিক স্বায়ত্বশাসিত অভিকৰণ থকা উচিত যি মন্ত্ৰীসকলৰ ওচৰত দায়বদ্ধ হব নালাগে।

(ক) ইয়াৰ ফলত প্ৰশাসন অধিক জনসাধাৰণৰ অনুকুল হব বুলি তুমি ভাবানে?

(খ) ইয়ে প্ৰশাসনক অধিক দক্ষ কৰিব বুলি তুমি ভাবানে?

(গ) গণতন্ত্ৰৰ অৰ্থ প্ৰশাসনৰ ওপৰত নিৰ্বাচিত প্ৰতিনিধিত্বৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ নেকি?

১০। নিযুক্ত প্ৰশাসনৰ পৰিবৰ্ত্তে নিৰ্বাচিত প্ৰশাসন লাভ কৰা প্ৰস্তাবৰ ওপৰত ২০০ শব্দৰ ভিতৰত এখন ৰচনা লিখা।